অধ্যায় ১১ ঃ শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ সাধাৰণ পৰিচয়

১১.৪ শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য

১১.৫ শঙ্কৰোত্তৰ যুগৰ সাহিত্যিকসকল

- ১১.৫.১ ভট্টদেৱ
- ১১.৫.২ ৰামচৰণ ঠাকুৰ
- ১১.৫.৩ গোপাল আতা
- ১১.৫.৪ অনিৰুদ্ধদেৱ
- ১১.৫.৫ পুৰুষোত্তম ঠাকুৰ
- ১১.৫.৬ ৰৱযদুমণিদেৱ
- ১১.৫.৭ শ্ৰীৰাম আতা
- ১১.৫.৮ ভাগৱত মিশ্ৰ
- ১১.৫.৯ গোবিন্দ মিশ্ৰ
- ১১.৫.১০ ভাগৱতাচার্য
- ১১.৫.১১ গোপাল মিশ্ৰ

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আলোচকৰ দৃষ্টিত শঙ্কৰোত্তৰ যুগৰ সাহিত্যিক ৰূপে চিহ্নিত হোৱা সাহিত্যিকসকলৰ ৰচনাকৃতিৰ লগত পৰিচিত হ'ব
- সেই সাহিত্যিকসকলৰ ৰচনাসমূহৰ মাজেদি শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ চিত্ৰ অঙ্কন কৰিব পাৰিব।

১১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্ৰথম ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা প্ৰথম পাঠ্য বিষয়ৰ অন্তৰ্গত এইটো একাদশ অধ্যায়। অধ্যয়টোৰ শিৰোনাম হ'ল 'শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ সাধাৰণ আলোচনা'। আপোনাৰ সুবিধাৰ্থে এই অধ্যায়টিত শঙ্কৰোত্তৰ যুগৰ সাহিত্যৰ বিষয়ে এটি ধাৰণা দিবলৈ যত্ন কৰা হ'ল।

১১.৩ শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ সাধাৰণ পৰিচয়

শঙ্কৰোত্তৰ যুগৰ সাহিত্যৰ সময়ছোৱাক বুৰঞ্জীয়ে বিস্তাৰ যুগ বুলি অভিহিত কৰিছে। এই যুগত মহাপুৰুষ দুজনাই প্ৰৱৰ্তন কৰা বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ ঘটিছিল। এই যুগতে বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ হাতত অসমীয়া গদ্য সাহিত্যই বিকাশ লাভ কৰিছিল।শঙ্কৰদেৱৰ মহাপ্ৰয়াণৰ প্ৰায় আঠ বছৰৰ পিছত নৰনাৰায়ণ ৰজাৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পিছত ৰজাসকলৰ অন্তঃকলহে কোচ ৰাজ্য দুৰ্বল কৰি তোলে আৰু ধৰ্মনাৰায়ণৰ দিনৰ পৰাই কোচ ৰাজ্যৰ পতনমুখী গতি আৰম্ভ হয়। এনেদৰে ৰাজনৈতিক খেলিমেলিৰ ফলত অসমীয়া সাহিত্যৰ পৃষ্ঠপোষকতাৰ কেন্দ্ৰবিন্দু কোচবিহাৰ গুচি দৰং হয়গৈ। পৰৱৰ্তী কালত ই উত্তৰ লক্ষীমপুৰলৈকে সম্প্ৰসাৰিত হয়। ৰাজনৈতিক ভাঙোনৰ লগে লগে ভক্তি ধৰ্মতো ভাঙোনে দেখা দিয়ে।শঙ্কৰদেৱৰ মৃত্যুৰ পিছত দামোদৰদেৱ আৰু তেওঁৰ শিষ্যসকলে মহাপুৰুষ দুজনাৰ আদৰ্শৰ পৰা কিছু ফালৰি কাটি আহে। হৰিদেৱৰ শিষ্যসকলেও ফালৰি কাটে। দামোদৰদেৱ-হৰিদেৱৰ পন্থটো পৰৱৰ্তী কালত 'ব্ৰহ্ম সংহতি' নামে জনাজাত হয়।

শঙ্কৰদেৱৰ মৃত্যুৰ পিছত মাধৱদেৱৰ গুৰুত্ব বঢ়াত শঙ্কৰদেৱৰ বৰনাতি পুৰুষোত্তম ঠাকুৰে শঙ্কৰদেৱহে গুৰু বুলি প্ৰচাৰ কৰে, যাৰ ফলত 'পুৰুষ সংহতি'ৰ উদ্ভৱ হয়। অন্যহাতে মাধৱদেৱক সমৰ্থন কৰা ব্যক্তিসকল হ'ল মথুৰাদাস বুঢ়া আতা, বদুলা আতা, বৰবিষ্ণু আতা আদি। তেওঁলোকৰ নেতৃত্বত সৃষ্টি হয় 'নিকা সংহতি'ৰ। অনিৰুদ্ধদেৱ, বৰ যদুমণিদেৱ আদিয়ে গোপাল আতাৰ গুৰুবাদক আদৰ্শ হিচাপে লয় আৰু ফলত 'কাল সংহতি'ৰ উদ্ভৱ হয়। প্ৰতিটো সংহতিৰ শিষ্যসকলে শঙ্কৰদেৱৰ আদৰ্শৰ অনুকৰণত বিভিন্ন ঠাইত সত্ৰ স্থাপন কৰিছিল। সত্ৰসমূহত ধৰ্মচৰ্চাৰ লগতে সাহিত্যৰো চৰ্চা হৈছিল। এনেদৰে ৰজাঘৰীয়া সাহিত্যৰ লগতে সত্ৰীয়া সাহিত্যয়ো বিস্তাৰ লাভ কৰে।

শঙ্কৰোত্তৰ যুগৰ সাহিত্যকাৰসকলৰ হাতত নৱ বৈষ্ণৱ সাহিত্যৰ ভঁৰাল সমৃদ্ধ হৈছিল যদিও পূৰ্বকবিক অনুসৰণ কৰি অকনো হীন-ডেঢ়ি নঘটোৱাৰ ফলত তেওঁলোকৰ সাহিত্যত এক প্ৰকাৰৰ যান্ত্ৰিকতা দেখা গৈছিল, বিষয়বস্তুৰ ক্ষেত্ৰতো বৈচিত্ৰ্যৰ অভাৱ পৰিলক্ষিত হয়। সেই বুলি এই যুগটো সম্পূৰ্ণ বৈচিত্ৰ্যহীন বুলি ক'ব নোৱাৰি। এই যুগতেই পদ্য সাহিত্যৰ উপৰিও গদ্য সাহিত্যই বিকাশ লাভ কৰে। শঙ্কৰোত্তৰ সাহিত্যৰ আন এক বৈশিষ্ট্য হ'ল চৰিত পুথিৰ উদ্ভৱ। এই যুগটোত বিস্তৃত হাৱত সাহিত্য ৰচনা কৰা হৈছিল।গীত,নাট, চৰিত পুথি, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্যৰ লগতে মহাভাৰত আৰু ভাগৱতৰ অনুবাদৰ কাম এই যুগত চলিছিল। শঙ্কৰী যুগৰ দৰে বৈচিত্ৰ্যময় নহ'লেও এই যুগৰ লোকসকলে অসমীয়া সাহিত্যৰ ভঁৰাল আপুৰুগীয়া সম্পদেৰে চহকী কৰি গৈছে।

১১.৪ শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য

মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱৰ তিৰোধানৰ পিছত সপ্তদশ শতিকাৰ প্ৰাৰম্ভৰপৰা শেষলৈ চৰিত পুথি, গদ্য সাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ যুগ বুলি অভিহিত কৰা হয়। এই যুগত ৰামায়ণ, মহাভাৰত, বিভিন্ন পু�ৰাণৰ আংশিক অনুবাদ, অঙ্কীয়া নাট আৰু গীত ৰচনাৰ পৰম্পৰা অব্যাহত থকাৰ লগতে এই যুগৰ বৈশিষ্ট্য হ'ল— *চৰিত পুথিৰ* উদ্ভৱ, ভকতীয়া গদ্যৰ বিকাশ আৰু বুৰঞ্জী গদ্যৰ আবিৰ্ভাৱ। বৈষ্ণৱ মহাপুৰষসকলে পাতি থৈ যোৱা বৈষ্ণৱ অনুষ্ঠানসমূহে জনসাধাৰণৰ হৃদয় স্পৰ্শ কৰে, যাৰ ফলত সত্ৰ অনুষ্ঠানে বিস্তৃতি লাভ কৰে। পিছলৈ এই অনুষ্ঠানসমূহত মহাপুৰুষসকলৰ চৰিত্ৰ কীৰ্তন কৰাটো নৈমিত্তিক কৰ্ম হৈ পৰে। এইদৰে ক্ৰমে বিভিন্ন সত্ৰৰ প্ৰতিষ্ঠাতাসকলৰো চৰিত্ৰ বৰ্ণনা কৰি চৰিত লেখাৰ প্ৰথা প্ৰচলিত হ'বলৈ ধৰে।

শঙ্কৰোত্তৰ কালছোৱাক বৈষ্ণৱ ধৰ্ম প্ৰসাৰ আৰু প্ৰতিপত্তিৰো যুগ বুলি অভিহিত কৰা হয়। বৈষ্ণৱ আন্দোলনৰ আৰম্ভণিৰ সময়খিনিত মহাপুৰুষজনাৰ লগতে অন্যান্যসকলে ৰজাঘৰ আৰু প্ৰজাঘৰৰ পৰা যি সমস্যাৰ সন্মুখীন হৈছিল আৰু প্ৰতিকূল পৰিৱেশত কাম কৰিব লগা হৈছিল সেয়া সপ্তদশ শতিকাৰ আৰম্ভণিৰপৰা কিছু কমি আহিছিল। এই সময়ছোৱা ৰজা-প্ৰজাই হিন্দু ধৰ্মক আগ্ৰহৰে গ্ৰহণ কৰে, যাৰ ফলত বৈষ্ণৱ সন্তসকল অসমৰ চুকে কোণে শিষ্য-প্ৰশিষ্যসকলক পঠাই সত্ৰ স্থাপন কৰি ধৰ্ম প্ৰচাৰৰ আন্দোলন তীব্ৰ কৰি তোলে। এইদৰে সত্ৰ আৰু ভকতৰ সংখ্যা বহু বাঢ়ি যোৱাত গদাধৰ সিংহই বহু সত্ৰ ভাঙি দিয়ে আৰু ভকতক ধৰি নি আলি বন্ধা, পুখুৰী খন্দা আদি কামত লগাইছিল। অসমৰ বিভিন্ন স্থানত গঢ়ি উঠা সত্ৰসমূহত গুৰুসকলৰ আৰু পূৰ্বৱৰ্তী সন্ত-মহন্তসকলৰ ধৰ্মীয় জীৱন, কাৰ্যাৱলী আদিৰ আলোচনা হ'বলৈ ধৰিলে। এয়েই চৰিত তোলা প্ৰথা ৰূপে অভিহিত হ'ল।

চৰিত সাহিত্যৰ উদ্ভৱৰ প্ৰায় ২০/২৫ বছৰমান আগতে গদ্য সাহিত্যৰ উদ্ভৱ হয়। অঙ্কীয়া নাটত গদ্যৰ প্ৰথম নিদৰ্শন পোৱা যায় যদিও সেই গদ্যক প্ৰকৃত অসমীয়া গদ্যৰ চানেকি বুলি ক'ব নোৱাৰি, কিয়নো সেই গদ্যত মৈথিলীৰ আধিক্য দেখা যায় আৰু গদ্য ৰচনাৰ বাক্য বিন্যাস প্ৰণালী তাত ৰক্ষা কৰা নাই। ভট্টদেৱৰ হাতত প্ৰকৃত অসমীয়া গদ্যৰ সৃষ্টি হয়। ইয়াৰ কাৰণ হ'ল জনসাধাৰণে গদ্য ভঙ্গীতহে কথা কয়, ছন্দত নহয়। সেয়েহে কথা কোৱাৰ ভঙ্গীতে যদি সাহিত্য ৰচনা কৰা যায় তেন্তে সেই সাহিত্য বুজাত সহজ হয়।

ছন্দত ৰচিত সাহিত্য পঠন-শ্ৰৱণত অভ্যস্ত জনসাধাৰণৰ সন্মুখত নতুন প্ৰণালীত ৰচনা কৰা সাহিত্য দাঙি ধৰাটোও বিশেষ উদ্দেশ্য আছিল।ছন্দ হ'ল আবেগ-অনুভূতিৰ স্বাভাৰিক মাধ্যম। আনহাতে, গদ্যৰীতি যুক্তি-তৰ্ক আলোচনাৰ মাধ্যম। গদ্যই প্ৰতিষ্ঠা লাভ কৰাৰ লগে লগে ইয়াৰ প্ৰয়োগ হ'বলৈ ধৰে যদিও ইয়াৰ প্ৰসাৰ নঘটিল, কিয়নো পদ সাহিত্যৰ শ্ৰুতিমাধুৰ্যই সৰ্বসাধাৰণক মোহাবিষ্ট কৰি ৰাখিছিল, লগতে সুৰ লগাই কীৰ্তন কৰি আনন্দ পাইছিল। গদ্য কীৰ্তনৰ বাবে সুবিধাজনক নহয়।

মাধৱদেৱৰ তিৰোধানৰ পিছৰ এশ বছৰত গঢ়ি উঠা সাহিত্যৰ কেন্দ্ৰস্থল বৈষ্ণৱ সত্ৰ আৰু সমাজ আছিল, ৰাজ পৃষ্ঠপোষকতা নাছিল। নৰনাৰায়ণৰ পিছত কোচৰাজ্য দুটা খণ্ডত বিভক্ত হয়,

যাৰ ফলত ৰাজসভাৰ পৃষ্ঠপোষকতা কমি আহে। তথাপি কোচবেহাৰৰ ৰাজসভাত এৰাধৰাকৈ সপ্তদশ শতিকাৰ শেষলৈকে অসমীয়া সাহিত্যৰ ধাৰাটো বৰ্তি আছিল।

*চৰিত পুথি*আৰু গদ্য সাহিত্যৰ বাহিৰে সপ্তদশ শতিকাত ৰচিত সাহিত্যই ষোড়শ শতিকাৰ ৰচনাৰ ধাৰাকেই অনুসৰণ কৰে। এই শতিকাৰ ৰচনাৰাজিত ছন্দৰ প্ৰয়োগ, বিষয়বস্তুৰ নতুনত্ব আৰু ৰচনাৰীতিত মৌলিকতা দেখা নাযায়। মহাপুৰুষসকলে প্ৰৱৰ্তন কৰা সাহিত্য পৰম্পৰাই গতানুগতিক ৰীতিত আগবাঢ়ি যায়। পাণ্ডিত্য, ৰচনাৰ প্ৰাঞ্জলতা আৰু সৰলতাৰ অভাৱ নাথাকিলেও মৌলিক দৃষ্টিভঙ্গী আৰু সৃজনশীল প্ৰতিভাৰ পৰিচয় পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শঙ্কৰোত্তৰ যুগৰ সাহিত্যৰ চমু পৰিচয় আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত লিখক।)

১১.৫ শঙ্কৰোত্তৰ যুগৰ সাহিত্যিকসকল

১১.৫.১ ভট্টদেৱ

ভট্টদেৱৰ প্ৰকৃত নাম হ'ল বৈকুণ্ঠনাথ ভট্টাচাৰ্য। পিতৃৰ নাম হ'ল কবি সৰস্বতী, জন্মস্থান হ'ল কামৰূপৰ বৰনগৰ অঞ্চলৰ ভেৰাগ্ৰাম। এগৰাকী অদ্বিতীয় পণ্ডিত ৰূপে প্ৰতিষ্ঠিত হৈ তেওঁ দামোদৰদেৱৰ প্ৰিয় শিষ্য হৈ পৰে। দামোদৰদেৱৰ পৰামৰ্শ অনুসৰি ভট্টদেৱে টীকাভাষ্যৰ সহায় লৈ ভাগৱতৰ প্ৰথম স্কন্ধ ৰচনা কৰে। দামোদৰদেৱে বিশদ আৰু বিস্তৃত আলোচনা নকৰি ভাগৱতৰ চমু আৰু সৰল কথাৰূপ দিবলৈ ভট্টদেৱক কয়। ফলস্বৰূপে ভট্টদেৱে দ্বিতীয়বাৰ প্ৰত্যেকটো অধ্যায়ৰ একোটি চমু সাৰাংশ ৰচনা কৰি দ্বাদশ স্কন্ধ ভাগৱত ৰচনা কৰে।

ভট্টদেৱৰ ভাগৱত ব্যুৎপত্তি আৰু ব্যাখ্যাত অসাধাৰণ ক্ষমতা দেখি পণ্ডিত সমাজে তেওঁক কবিৰত্ন আৰু ভাগৱত ভট্টাচাৰ্য উপাধিৰে বিভূষিত কৰিছিল। ৰাজ আজ্ঞা মতে পাটবাউসী এৰিব লগা হোৱাত দামোদৰদেৱে ভট্টদেৱক পাটবাউসী সত্ৰৰ ৰক্ষণাবেক্ষণৰ ভাৰ দিয়ে আৰু পুনঃ কয় যে গদ্যত ভাগৱত-শাস্ত্ৰখন তেওঁ লিখে যাতে সৰ্বসাধাৰণে সেইখন বুজি পায়। পাটবাউসী সত্ৰত কিছুবছৰ কটোৱাৰ পিছত ভট্টদেৱে পাটবাউসী এৰি ব্যাসকুছিত সত্ৰ পাতে। এই সত্ৰতেই থাকি ধৰ্ম চৰ্চা আৰু প্ৰচাৰ কৰি মহাপুৰুষজনাই ১৬৩৮ খৃঃত ইহলীলা সম্বৰণ কৰে।

ভট্টদেৱৰ ৰচনাৱলী ঃ ভট্টদেৱ বিৰচিত গ্ৰন্থ কেইখন হ'ল— অসমীয়াত লিখা ঃ *কথা ভাগৱত, কথাগীতা, ভক্তি ৰত্নাৱলী, নন্দোৎসৱ, প্ৰসঙ্গমালা, সাত্ত্বত তন্ত্ৰ, বিষ্ণু সহস্ৰনাম* আৰু সংস্কৃতত লিখা ঃ *ভক্তিসাৰ, ভক্তি বিবেক, ভাগৱত অধিকৰণ* আৰু *শৰণমালিকা*। বিষয়বস্তুৰ ফালৰপৰা প্ৰতিখন গ্ৰন্থৰে এক সুকীয়া মূল্য থাকিলেও *কথা-ভাগৱত, কথাগীতা*

আৰু *কথা ৰত্নাৱলী* অসমীয়া সাহিত্যলৈ ভট্টদেৱৰ শ্ৰেষ্ঠ কীৰ্তি। পুৰণি অসমীয়া সাহিত্যৰ ভিতৰত ভট্টদেৱৰ *কথা ভাগৱত*খনেই একমাত্ৰ গ্ৰন্থ য'ত সমগ্ৰ ভাগৱতৰ বিষয়বস্তু ক্ৰমিক ৰূপত সংক্ষিপ্তভাৱে লিখা হৈছে। সমগ্ৰ *কথা ভাগৱতে*ই সংক্ষিপ্ত, তাৰ ভিতৰত একাদশ-দ্বাদশ স্কন্ধৰ কিছুমান অধ্যায় অতি সংক্ষিপ্ত ৰূপত বৰ্ণনা কৰিছে। *কথাগীতা* তেওঁ *শ্ৰীধৰী টীকা*ৰ আধাৰত অনুবাদ কৰিছিল। *কথা ৰত্নাৱলী*খন *কথা ভাগৱত*ৰ নিচিনা সংক্ষিপ্ত নহয় আৰু *কথাগীতা*ৰ দৰে বিস্তৃতও নহয়।

ভট্টদেৱ বিৰচিত অসমীয়া পদপুথিৰ ভিতৰত *নন্দোৎসৱ, প্ৰসঙ্গ মালা* আৰু *বিষ্ণু সহস্ৰনাম* ছপা হৈছে। কৃষ্ণৰ জন্মত নন্দ গৃহত হোৱা আনন্দ উৎসৱ আৰু নন্দৰাজে দিয়া দান দক্ষিণাৰ বৰ্ণনা *নন্দোৎসৱ* গ্ৰন্থখনত বৰ্ণিত হৈছে। দামোদৰীয় সত্ৰবোৰত দ্বাদশ প্ৰসঙ্গ সঠিকভাৱে চলাৰ উদ্দেশ্য ভট্টদেৱে *প্ৰসঙ্গমালা*খন ৰচনা কৰি গৈছে। তেওঁ পু�ৰাণৰ উত্তৰখণ্ডৰ অন্তৰ্গত *বিষ্ণু সহস্ৰনাম* খণ্ডৰ পদানুবাদ কৰিছে।

ভট্টদেৱৰ গদ্য ঃ তিনিখন প্ৰসিদ্ধ তত্ত্বগধুৰ সংস্কৃত গ্ৰন্থ অসমীয়া গদ্যলৈ অনুবাদ কৰি ভট্টদেৱে অসমীয়া ভাষাক উচ্চ মৰ্যাদা প্ৰদান কৰি গৈছে। তেওঁৰ আগতে পুথি লিখা হৈছিল গদ্যত। তেওঁ সাহিত্যিক অসমীয়া গদ্যৰ কোনো নমুনা পোৱা নাছিল। তেওঁৰ পূৰ্বৱৰ্তী শঙ্কৰ-মাধৱৰ নাটসমূহত যি গদ্যৰ নমুনা আছিল তাৰো ভাষা ব্ৰজাৱলীহে। জনসাধাৰণৰ কথিত ভাষাৰ যোগেদি *গীতা-ভাগৱত*ৰ নিচিনা পৱিত্ৰ গ্ৰন্থক গদ্যৰূপ দিয়াতো সঠিক নহ'ব বুলি ভাবি ভট্টদেৱ পূৰ্বসুৰী মাধৱ কন্দলি, শঙ্কৰদেৱ-মাধৱদেৱৰ কাব্যৰাজিৰ ভাষাতেই গুৰুত্ব দিয়ে। এই কাব্যৰাজিৰ মাজৰ পৰা শব্দৰাজি আহৰণ কৰি কথ্যৰীতি আৰু সংস্কৃত ব্যাকৰণৰ আদৰ্শত বাক্যবিন্যাসকৰণ সৃষ্টি কৰি একপ্ৰকাৰ গদ্যৰ ৰূপ দিয়ে আৰু এই গদ্যতেই তেওঁ উক্ত তিনিখন গ্ৰন্থ অনুবাদ কৰে। গদ্য বা কথাৰীতিক প্ৰকাশৰ মাধ্যম ৰূপে গ্ৰহণ কৰিলেও পদবন্ধৰ প্ৰতি মোহ এ�ৱিব পৰা নাছিল। *কথা ভাগৱত*ৰ ঠায়ে ঠায়ে তেওঁৰ ৰীতি ছন্দগন্ধী হৈ পৰিছে। কোনো ধৰ্ম সমাজত শাস্ত্ৰ ব্যাখ্যা কৰোতে যি ৰীতিত প্ৰশ্ন উত্থাপন কৰি উত্তৰ দিয়ে, ভট্টদেৱেও প্ৰশ্নৰ উত্থাপন আৰু যুক্তিৰ মাজেদি তাৰ উত্তৰ ব্যাখ্যা কৰিছে। এনে ধৰণৰ প্ৰকাশ ৰীতিয়ে ভট্টদেৱৰ গীতা ভাগৱতৰ গদ্যৰ মাজত যুক্তিপ্ৰদ আৰু ব্যাখ্যাত্মক ভাষাৰ প্ৰকাশিকা শক্তিৰ ন্যূনতা, বিষয়বস্তুৰ গভীৰতা আদি কিছুমান কথাৰ বাবে ভট্টদেৱৰ গদ্যৰীতি সংস্কৃতীয়া হৈ পৰিছে।

ভট্টদেৱৰ বাক্যত শব্দবিন্যাসৰ প্ৰণালী নিখুঁত আৰু ব্যাকৰণ প্ৰয়োগ বিশুদ্ধ। বাক্যবোৰ সাধাৰণতে চুটি চুটি, কিন্তু স্থান বিশেষে সংস্কৃতীয়া প্ৰভাৱৰপৰা মুক্ত হ'ব নোৱাৰি সমাসবদ্ধ বাক্যৰ প্ৰয়োগ কৰা দেখা যায়। ছন্দোবদ্ধ ৰচনাত প্ৰয়োগ নোহোৱা উত্তৰ পুৰুষৰ ভৱিষ্যত কালৰ প্ৰত্যয় ম (ধৱিম) আৰু তৃতীয় পুৰুষৰ 'ব' প্ৰত্যয়ৰ প্ৰয়োগ ভট্টদেৱৰ গদ্যৰ বিশেষত্ব। মাজে মাজে ঘৰুৱা উপমা প্ৰয়োগে তেওঁৰ গদ্যক মনোৰম ৰূপ প্ৰদান কৰিছে।

কোনো কোনোৱে ভট্টদেৱৰ গদ্যত সংস্কৃত শব্দৰ বহুল প্ৰয়োগ সম্পৰ্কে অভিযোগ কৰা দেখা যায়। কিন্তু দাৰ্শনিক তত্ত্বপ্ৰধান গ্ৰন্থকেইখন ঘৰুৱা শব্দৰ সহায়ত অনুবাদ কৰাৰ থল নাছিল।

ভট্টদেৱৰ দ্বাৰা ৰচিত সংস্কৃত গ্ৰন্থৰাজিৰ ভিতৰত *ভক্তি বিবেক* গ্ৰন্থখনি পোন্ধৰটা পৰিচ্ছেদত বিভক্ত। প্ৰথম পৰিচ্ছেদত ভক্তিৰ স্থান নিৰ্ণয়, দ্বিতীয়ত গুৰু শিষ্য নিৰ্ণয়, নৱমত কীৰ্তন নিৰ্ণয়, দশমত স্মৰণ মাহাত্ম্য, একাদশত পদ সেৱন মাহাত্ম্য, দ্বাদশত পূজা নিৰ্ণয়, ত্ৰয়োদশত পূজা মাহাত্ম্য, চতুৰ্দশত দাস্য নিৰ্ণয় আৰু পঞ্চদশ পৰিচ্ছেদত ভাৱন্মুৰ্তিৰ সত্যতা আলোচনা কৰা হৈছে। *ভক্তি বিবেকত* ভট্টদেৱৰ অসাধাৰণ পাণ্ডিত্য, গভীৰ অধ্যয়ন আৰু বিচাৰ বুদ্ধিৰ প্ৰতিচ্ছবি পৰিস্ফুট হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ ভট্টদেৱৰ কৃতীসমূহৰ চমু মূল্যায়ন আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত লিখক।)

১১.৫.২ ৰামচৰণ ঠাকুৰ

ৰামচৰণ ঠাকুৰ মাধৱদেৱৰ ভাগিনীয়েক, হোকোৰাকুছীয়া ৰামদাস কায়স্থৰ পুত্ৰ। সৰুৱেপৰা ৰামচৰণে মাধৱদেৱৰ লগত থাকি যথোচিত শিক্ষা লাভ কৰে। মাধৱদেৱে সুন্দৰীদিয়াত থাকোতে তেওঁক *ভক্তি ৰত্নাকৰ* আৰু *ভক্তি ৰত্নাৱলী* নিয়মীয়াকৈ পাঠ কৰিবলৈ দিয়াৰ লগতে পুথি নকল কৰাৰ কাম দিছিল। পিছলৈ মাধৱদেৱ কোচবেহাৰলৈ যোৱাত ৰামচৰণ ঠাকুৰো তালৈ যায়। মাধৱদেৱৰ আদেশ অনুক্ৰমেই তেওঁ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা মহাপুৰষজনাৰ কীৰ্ত্তনৰ বিভিন্ন খণ্ড সংগ্ৰহ কৰে।

ৰামচৰণ ঠাকুৰে ৰচনা কৰা পুথিৰ ভিতৰত *কংসবধ* আৰু মহাপুৰুষৰ *ভক্তি ৰত্নাকৰৰ* পদ ভাঙনি উল্লেখযোগ্য। আনহাতে, চৰিত পুথিৰ ৰচক ৰূপে ৰামচৰণ ঠাকুৰৰ নাম প্ৰণিধানযোগ্য। *শঙ্কৰ চৰিত* নামৰ ৪০৯৯টা পদ সন্নিৱিষ্ট এখন বিস্তৃত *চৰিত পুথি* তেওঁৰ নামত প্ৰচলিত। চৰিতখনত বহুতো অলৌকিক কথা থাকিলেও শঙ্কৰদেৱৰ জীৱনৰ কথা বিস্তৃতভাৱে পোৱা যায়। কিন্তু পুথিখনত বহুতো তৰল আৰু অলৌকিক কথাৰে সঁচা-মিছাৰ সংমিশ্ৰণৰে মহাপুৰুষজনাৰ চৰিত লিখা দেখি পণ্ডিতসকলে মত পোষণ কৰে যে সেয়া ৰামচৰণ ঠাকুৰৰ ৰচনা নহয়। সেয়া ৰামচৰণৰ নামত ভণিতা থকা *শঙ্কৰ চৰিতৰ* লেখক কোনোবা এজন কুহিয়াৰবৰীয়া ৰামচৰণহে, মাধৱদেৱৰ ভাগিন ৰামচৰণ নহয় বুলি মত আগবঢ়োৱা হৈছে।

ৰামচৰণ ঠাকুৰে *কংসবধ* নাট ৰচনা কৰে। *ভাগৱত পুৰাণৰ* ৩৭-৪৫ অধ্যায়ৰ কাহিনীৰ আধাৰত *কংসবধ* নাটখন ৰচিছে। নাটখনিৰ আৰম্ভণিতে দুটি নান্দীশ্লোক সন্নিৱিষ্ট

কৰিছে। নাৰদৰ মুখত গোকুলত থকা শ্ৰীকৃষ্ণৰ কথা শুনি কংসই বন্দীশালত থকা বসুদেৱক হত্যা কৰিবলৈ উদ্যত হোৱা, নাৰদৰ প্ৰবোধ, ৰাম-কৃষ্ণৰ মথুৰা গমন, গোপী বিৰহ, চানুৰ মুষ্টিকৰ সৈতে ৰাম-কৃষ্ণৰ বাহু যুদ্ধ আৰু শেষত কংস-বধ ঘটনাৰে নাটৰ সামৰণি পৰিছে। চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত ঠাকুৰে গুৰুত্ব দিয়া নাই। নাটখনিত ভক্তিৰসৰ উপৰি বীৰ, শৃঙ্গাৰ আৰু কৰুণ ৰসৰ সমাৱেশ ঘটিছে। নাটখনিত থকা ১৬টা গীত আৰু পয়াৰে নাটখনিৰ কাব্যিক সৌন্দৰ্য্য বৃদ্ধিত অৰিহণা যোগাইছে।

ৰামচৰণ ঠাকুৰে শঙ্কৰদেৱৰ ভক্তি ৰত্নাকৰ গ্ৰন্থখনিৰ ৩৮-টা মাহাত্ম্যৰ ৩৫টাৰহে ভাঙণি কৰিছে। তেওঁ লোকৰঞ্জনৰ বাবে মূলৰ চমু কথাকো *শ্ৰীধৰী টীকাৰ* সহায়ত ব্যাখ্যা কৰিছে। তেওঁ মূলৰ যথাযথ অনুবাদ কৰিছে।

ৰামচৰণ ঠাকুৰে দুই এটি গীতো ৰচনা কৰি গৈছে।

১১.৫.৩ গোপাল আতা

কথাগুৰু চৰিত অনুসৰি গোপাল আতাৰ জন্ম ১৫৪১ খৃষ্টাব্দত। পিতৃৰ নাম কামেশ্বৰ ভূঞা আৰু মাতৃ বজ্ৰাঙ্গী আই। তেওঁ গৰ্ভত থাকোতেই পিতৃৰ মৃত্যু হোৱাত বজ্ৰাঙ্গী আয়ে কলিতাদেশ এৰি অসম পায়হি আৰু গড়গাঁও নগৰৰ ওচৰৰ খোখোৰা গাঁৱৰ নাচনীঘাটত থাকিবলৈ লয়। তাৰ পাছত তেওঁ সুন্দৰীদিয়ালৈ আহে। নাৰায়ণ দাস ঠাকুৰ আতাৰ কথা অনুসৰি গোপালদেৱে বৰপেটাৰ সবিতা আইক বিয়া কৰায়। পিছলৈ তেওঁ মাধৱদেৱৰ ওচৰত শৰণ লয় আৰু বৈষ্ণৱ ধৰ্ম প্ৰসাৰত আত্মনিয়োগ কৰে। গোপাল আতাই পল্লা নৈৰ দক্ষিণত থকা কালজাৰত সত্ৰ পাতে। এইখন সত্ৰই তিনিখন ৰাজ্যখণ্ডৰ বৈষ্ণৱৰ অন্যতম তীৰ্থ হৈ পৰে। ভৱানীপুৰীয়া আতাৰ আজ্ঞা লৈ বহুজন বৈষ্ণৱে ন ন সত্ৰ প্ৰতিষ্ঠা কৰে। তেওঁৰ ওচৰলৈ আহি ৰামচন্দ্ৰ আতা, কৃষ্ণ আতা আৰু অনিৰুদ্ধ আতাই শৰণ লয়। পৰৱৰ্তী কালত স্থাপিত সত্ৰসমূহে কালসংহতি থুলৰ সত্ৰ বুলি প্ৰসিদ্ধি লাভ কৰে। গোপালদেৱেও গুৰুজনাৰ আৰ্হি অনুসৰি ছয়জন ব্ৰাহ্মণ আৰু ছয়জন অব্ৰাহ্মণক ধৰ্মচাৰ্য বাব অৰ্পণ কৰে।

গোপাল আতাই সত্তৰ বছৰ কাল জীয়াই থাকে। তেওঁৰ দ্বাৰা ৰচিত তিনিখন নাট হ'ল— *জন্মযাত্ৰা*, *নন্দোৎসৱ* আৰু *উদ্ধৱযান*। জন্মযাত্ৰা নাট্য ৰচনাৰ ক্ষেত্ৰত গোপালদেৱে শঙ্কৰদেৱৰ *দশমৰ* ওচৰত ঋণী। মূল সংস্কৃত *ভাগৱত পুৰাণৰ* পৰা প্ৰত্যক্ষভাৱে নাট্যকাৰে কাহিনী গ্ৰহণ কৰা নাই। শঙ্কৰদেৱৰ *দশমৰ* ২০ সংখ্যক পদৰ পৰা ১৫৩ সংখ্যক পদলৈ বিবৃত হোৱা কাহিনীভাগ *জন্মযাত্ৰাত* আছে। ভগৱান, দেৱ-দেৱী, ঋষি, শ্ৰীকৃষ্ণ, গোপ-গোপী আদি মৰ্ত্যলোকত জন্মগ্ৰহণ কৰা নাটত বিবৃত হৈছে। তদুপৰি বসুদেৱ দৈৱকীৰ বিবাহ, কা�ৰাগাৰলৈ নিক্ষেপণ, কৃষ্ণ জন্ম, নন্দ যশোদাৰ গৃহগমন, কংস, যোগমায়াৰ ঘটনা নাটখনত বৰ্ণিত হৈছে। নাটখনৰ আৰম্ভণি এটা শ্লোকেৰে কৰা হৈছে। মুক্তিমঙ্গল ভটিমা পোৱা নাযায়। এই নাটখনত ১৫টা গীত সন্নিৱিষ্ট কৰা হৈছে।

অনুপ্রাস, অন্ত্যানুপ্রাস, যমক, উপমা আদি অলঙ্কাৰ প্রয়োগে গীতসমূহ সুমধুৰ কৰি তুলিছে। চৰিত্রবোৰৰ মুখত গদ্য সংলাপ প্রয়োগ কৰা হৈছে।

নন্দোৎসৱ নাটখনত নাটকীয় সংঘাত দেখা নাযায়। কিছুমান সংলাপৰ মাজেৰে অসমীয়া সমাজ জীৱনৰ ছবি এখন ফুটি উঠিছে। গীত, সূত্রধাৰৰ বচন আৰু চৰিত্রৰ বচনৰ বাহিৰে অঙ্কীয়া নাটৰ আন আন অংগবোৰ ইয়াত পাবলৈ নাই।

উদ্ধৱ সংবাদ বা *উদ্ধৱযান* নাটখনত উদ্ধৱে গোপীসকল লৈ যোৱা কৃষ্ণ সংবাদ *ভাগৱত পুৰাণৰ* ৪৫- ৪৮ অধ্যায়ত বর্ণিত হৈছে। বিৰহ আতুৰা গোপীৰ বিৰহ বেদনা নাইকিয়া কৰাৰ উদ্দেশ্যে কৃষ্ণই বন্ধু উদ্ধৱক ব্রজলৈ বার্তাসহ পঠিয়াই দিয়ে। গোপীসকলে কেনেকৈ অনুৰাগ-অভিমান কৰিলে আৰু উদ্ধৱে কিদৰে গোপীৰ মনক প্রবোধ দিলে সেই কথাৰে নাটখন শেষ কৰা হৈছে।

১১.৫.৪ অনিৰুদ্ধদেৱ

১৫৫৩ চনত লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ ওচৰৰ বিষ্ণু বালিকুছি গাঁৱত অনিৰুদ্ধদেৱৰ জন্ম হয়। তেওঁৰ পিতৃদত্ত নাম আছিল হৰকণ্ঠগিৰী। তেওঁ ভাগৱত ধর্মৰ প্রতি আকর্ষিত হৈ ভৱানীপুৰীয়া গোপাল আতাৰ ওচৰত শৰণ লয়। শৰণৰ পিছত আতাই তেওঁৰ নাম অনিৰুদ্ধ থয়। কালঝাৰত তিনি বছৰ থকাৰ পিছত গুৰুৰ কথামতে তেওঁ ঘৰলৈ আহি বিষ্ণু বালিকুছি সত্র স্থাপন কৰে। ইয়াত ডফলাসকলে উপদ্রৱ কৰাত পাঁচ বছৰৰ পিছত তেওঁ মৰনৈৰ পাৰৰ নাহৰআটীলৈ সত্র উঠাই নিয়ে। কিছু বছৰ পিছত তাতেই তেওঁৰ মৃত্যু হয়।

অনিৰুদ্ধদেৱ শঙ্কৰোত্তৰ যুগৰ বৈষ্ণৱ কবিসকলৰ অন্যতম। তেওঁ কেবাখনো গ্রন্থ ৰচনা কৰি গৈছে। সেয়া হ'ল— *ভক্তিমঙ্গল ঘোষা*, *ভাগৱতৰ* চতুর্থ স্কন্দৰ *পুৰঞ্জন উপাখ্যান*, দুকুৰি ভটিমা আৰু নকুৰি দুটি গীতেৰে এখনি *গীতশাস্ত্র*, *ভাগৱতৰ* সাৰ সংগ্রহ কৰি গদ্য-পদ্য মিশ্রিত *নিজশাস্ত্র* নামৰ পুথি এখন।

*ভক্তিমঙ্গল ঘোষা*খনিয়ে মায়ামৰা বৈষ্ণৱ ধর্মৰ মূল ভেটি নির্মাণ কৰিছে। এই ঘোষাখনিৰ মূল আধাৰ হ'ল— *শ্রীমদ্ ভাগৱত*, *ব্রহ্মাণ্ড পুৰাণ*, *পদ্ম পুৰাণ*, *প্রবোধচন্দ্রোদয়*, বিষ্ণুপুৰী ভাষ্য *মুণ্ডকোপনিষদ*, *শ্রীধৰী টীকা*, *চাণক্য শতক* আদি সংস্কৃতি গ্রন্থসমূহ। ঘোষাখিনি ছন্দ, দুলড়ি, লেছাড়ি, পদ, ঘোষা আদি ছন্দত ৰচিত। ঘোষাখনিৰ দুই পঞ্চমাংশ ঘোষাই মূল সংস্কৃত শ্লোকৰ অনুবাদ। *ভক্তিমঙ্গল শাস্ত্রত* থকা উপমাবোৰে পুথিখনক অনন্য সৌন্দর্য প্রদান কৰিছে। *পুৰঞ্জন উপাখ্যান ভাগৱতৰ* চতুর্থ স্কন্দৰ অন্তর্গত। উপাখ্যান ৫৭৯টা পদত ৰচিত। এই শাস্ত্রখনিৰ বিষয়বস্তু হ'ল নাৰায়ণৰ অক্লান্ত ভক্ত নাৰদৰ দ্বাৰা ভক্তিমার্গৰ গৃহতত্ত্ব আৰু দেহতত্ত্ব। পদ, দুলড়ি আৰু ছবি ছন্দত ৰচিত এই শাস্ত্রখনক অনিৰুদ্ধদেৱে সুন্দৰ আৰু কাব্যিক ৰূপত অনুবাদ কৰিছে।

অনিৰুদ্ধদেৱৰ *ভাগৱতৰ* পঞ্চম স্কন্দৰ অনুবাদত বিচক্ষণতা পৰিলক্ষিত হয়। ৯৫০টা পদত কবিয়ে এই অনুবাদ সমাপ্ত কৰিছে। বিষয়বস্তুৰ ভিতৰত প্ৰিয়ব্ৰত ৰজাৰ কাহিনী, ঋষভৰ জন্ম, সংসাৰ ত্যাগ, দেহত্যাগ, ভৰতৰ মৃগৰূপ প্ৰাপ্তি আৰু উন্মত্ততা, জড় ভৰতৰ কাহিনী, সপ্তদীপৰ কথা, নৰক বৰ্ণনা আদি পোৱা যায়।

অনিৰুদ্ধদেৱৰ আন এখন গ্ৰন্থ হ'ল পদ্য-গদ্য মিশ্ৰিত ভাষাত ৰচিত *নিজশাস্ত্ৰ*। এইখন আজিলৈ ছপা হোৱা নাই। এই শাস্ত্ৰখন ময়ামৰা সম্প্ৰদায়ৰ গুপুত শাস্ত্ৰ। এইখন কেৱল ৰাতিহে পাঠ কৰা হয়। *নিজশাস্ত্ৰ* কেইবাটাও বৰ্ণ বা অধ্যায়ত বিভক্ত। ভকতে এই শাস্ত্ৰ পাঠ কৰোতে তিনিটা, পাঁচটা, সাতটা নাইবা নটা বৰ্ণ পাঠ কৰে।

অনিৰুদ্ধদেৱে ১৮২টা গীত ৰচনা কৰি গৈছে। গীতসমূহত আধ্যাত্মিক ভাব, বেদৰ কথা, পাৰমাৰ্থিক তত্ত্ব আৰু কৃষ্ণৰ বাল্য লীলা প্ৰকাশ পাইছে। লীলা, বিৰহ, জাগন আদি বৰগীতৰ প্ৰায়বোৰ বিষয়বস্তু ইয়াত স্থান পাইছে। এই গীতসমূহত কল্যাণ, ধনশ্ৰী, ভটিয়ালী, গৌৰী, গান্ধাৰ আদি ৰাগৰ প্ৰয়োগ ঘটা দেখা যায়।

গীতশাস্ত্ৰত ব্যৱহৃত বেছিভাগ শব্দই তৎসম, কিছু সংখ্যক পালি আৰু প্ৰাকৃত। তেওঁৰ গীতত ধ্বনি, ব্যঞ্জনা আৰু চিত্ৰকল্পৰ সুন্দৰ সমন্বয় ঘটা দেখিবলৈ পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অনিৰুদ্ধদেৱৰ ৰচনাৰাজিৰ সংক্ষেপ পৰিচয় আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত লিখক।)

১১.৫.৫ পুৰুষোত্তম ঠাকুৰ

শঙ্কৰদেৱৰ বৰনাতি পুৰুষোত্তম ঠাকুৰ হ'ল ৰামানন্দ ঠাকুৰৰ পুত্ৰ। ১৫৬১ চনত বৰপেটাৰ পাটবাউসীত তেওঁৰ জন্ম হয়। মাতৃৰ নাম সিন্ধুমতী। তেওঁৰ ককাকৰ মৃত্যুৰ পিছত পিতৃ ৰামানন্দয়ো ইহ সংসাৰ ত্যাগ কৰে। তেওঁৰ শিক্ষাৰ ভাৰ লৈছিল মাধৱদেৱে। মাধৱদেৱৰ মৃত্যুৰ পিছত পুৰুষোত্তমে পাটবাউসী এৰি পূব কোচৰাজ্যৰ ৰাজধানী বৰনগৰলৈ গৈ তাতে সত্ৰ স্থাপন কৰে। ইয়াতে কোচৰজা নৰনাৰায়ণে তেওঁৰ ওচৰত সপৰিয়ালে শৰণ হয়। কিছু বছৰ পিছত তেওঁ বৰনগৰৰ পৰা আহি বৰপেটাৰ কাষৰ জনিয়াও সত্ৰ পাতে। ছবছৰমান পিছত তেওঁ বেহাৰৰ ভেলালৈ যায় আৰু ধৰ্ম প্ৰচাৰ কৰে। ভেলা সত্ৰতেই তেওঁৰ মৃত্যু হয়। পুৰুষোত্তম ঠাকুৰে শঙ্কৰদেৱৰ বাহিৰে আনক গুৰু বুলি মানি লোৱা নাছিল আৰু শিষ্য সকলকো শঙ্কৰদেৱৰ বাহিৰে আনক গুৰু নামানিবলৈ উপদেশ দিছিল। তেওঁ ধৰ্ম প্ৰচাৰৰ লগতে সাহিত্য চৰ্চা কৰিছিল। তেওঁৰ সাহিত্য কৃতী হ'ল *ন ঘোষা*। পুথিখন প্ৰায় চাৰিশ পদৰ সমষ্টি। ইয়াৰ এশমান পদ বিভিন্ন সংস্কৃত শ্লোকৰ অনুবাদ। *ন ঘোষা*খন উন্নত শ্ৰেণীৰ নহ'লেও পুৰুষোত্তম ঠাকুৰৰ কবিত্বৰ

প্ৰকাশ দেখা যায়। এই গ্ৰন্থখনৰ উপৰি তেওঁ ভালে সংখ্যক গীত ৰচনা কৰিছিল। গীতৰ সংখ্যা প্ৰায় কুৰিটা, গীতসমূহ আন বৈষ্ণৱ গীতৰ দৰে ভগৱত প্ৰেমেৰে সিক্ত। গীতত ভূপালী, বসন্ত, বেলোৱাৰ ভটিয়লী আদি ৰাগৰ প্ৰয়োগ ঘটিছে। *সন্তসাৰ* আৰু *ব্যূঢ়াভাষ্য* নামে দুখন পুথিও পুৰুষোত্তম ঠাকুৰৰ নামত প্ৰচলিত।

১১.৫.৬ বৰ যদুমণিদেৱ

ভৱানীপুৰীয়া গোপাল আতাৰ অন্যতম শিষ্য বৰ যদুমণিদেৱৰ জন্ম হয় গোভিৰ গ্ৰামত। ডেকা বয়সত গৃহ ভাৰ্যা ত্যাগ কৰি খৰঙা দেশলৈ গৈ নানা বাদ্যযন্ত্ৰ শিকি আহে। তেওঁ কিছুদিন বংশীগোপালদেৱৰ সত্ৰত থাকে আৰু পিছলৈ বাৰ বছৰ কাল গোপাল আতাৰ সৈতে ভৱানীপুৰত কটায়। গুৰুৰ আজ্ঞানুসৰি আহোম ৰাজ্যলৈ গৈ ধৰ্ম প্ৰচাৰ কৰে। পিছে চাওদাঙে তেওঁক ধৰিবলৈ বিচাৰি ফুৰাত তেওঁ গৈ বাঁহবাৰীত সত্ৰ স্থাপন কৰে। ১৫৫৩ শকৰ ফাগুণ মাহৰ শুক্লাচতুৰ্দশী তিথিত উত্তৰ লক্ষীমপুৰৰ কন্দলিপুখুৰী নামৰ ঠাইত বৰ যদুমণিয়ে দেহ ত্যাগ কৰে।

বৰযদুমণিদেৱে বাৰকুৰি গীত ৰচনা কৰিছিল বুলি কথিত আছে। গীতসমূহৰ ভাষা, বিষয়বস্তু, ৰাগ আদি উচ্চ পৰ্যায়ৰ। মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱৰ বৰগীতৰ সাঁচতে এই গীতসমূহ ৰচিত। তেওঁৰ এশ ছয়ত্ৰিশটি গীত *গীত মন্দাকিনীত* সঙ্কলিত হৈছে।

বৰযদুমণিদেৱৰ *ফল্গুযাত্ৰা* নাটখনি অসমীয়া সাহিত্যলৈ এক অনবদ্য অৱদান। নাটখনৰ বিষয়বস্তু স্কন্ধ *পুৰাণৰ উৎকল* খণ্ডত থকা ফল্গুৎসৱ বা দৌলযাত্ৰাৰ বৰ্ণনাৰ সৈতে মিল থকা দেখা যায়। ভক্তি ৰসেৰে সিক্ত নাটখনিত ৰাধাৰ চৰিত্ৰটোক প্ৰাধান্য দিয়া পৰিলক্ষিত হয়। নাটখনিত কৃষ্ণই বৃন্দবনত গোপ শিশুসকলৰ সৈতে নৃত্য-গীত কৰি ৰত্নময় দৌলত যোগেশ্বৰ হৰিক ফাকু দিয়াৰ কথা আছে। ৰাধাই কৃষ্ণৰ গাত ফাকু ছটিয়াই ভক্তি নিবেদন কৰিছে। দেৱ, গন্ধৰ্ব, কিন্নৰ, ঋষি, নৰ-নাৰীৰ উৎসাহ, ৰাধা-কৃষ্ণৰ অৰ্চনাৰে দুদিন যোৱা ফল্গুৎসৱৰ বৰ্ণনাৰে নাটখন মাধুৰ্যমণ্ডিত কৰি তুলিছে।

বৰ যদুমণিদেৱ ৰচিত *কেৱলীয়া ঘোষাৰ* ঘোষাখিনি ছবি, দুলড়ী, লেছাৰি, ঝুনা আদি ছন্দত ৰচিত। ভাব, ভাষা, ছন্দ-অলঙ্কাৰৰ প্ৰয়োগে যদুমণিদেৱৰ ঘোষসমূহ অতি মনোমোহা ৰূপ প্ৰদান কৰিছে।

১১.৫.৭ শ্ৰীৰাম আতা

শ্ৰীৰাম আতা হ'ল ভৱানীপুৰীয়া গোপাল আতাৰ অন্তিম থাপিত ছজন ব্ৰাহ্মণ সত্ৰীয়াৰ এজন। তেওঁ গোবিন্দ মিশ্ৰৰ পুত্ৰ। আতাই বাৰ বছৰলৈ গুৰু গৃহত থাকি নানা শাস্ত্ৰ অধ্যয়ন কৰিছিল। পিছত ডেবেৰা পাৰৰ বংশীগোপালদেৱৰ ওচৰত থাকে। তাতে তেওঁ ছবছৰ কটায়।তাতেই তেওঁৰ যদুমণি আতাৰ সৈতে সম্পৰ্ক গঢ়ি উঠে আৰু আতাৰ লগ লাগি চাউলখোৱা সুঁতিৰে আহি বৰপেটা পায়। তাৰ পৰা তেওঁ ভৱানীপুৰলৈ যায়।

তাত তেওঁ গোপাল আতাৰ শিষ্য হয়। গোপাল আতাই তেওঁক কালঝাৰ সত্ৰৰ ধর্মাচার্য পদত অধিষ্ঠিত কৰায়। দীর্ঘদিন ধৰি কালঝাৰত হৰি কথা শ্ৰৱণ-কীর্তন কৰি শ্ৰীৰাম আতাই ইহলীলা সম্ৱৰণ কৰে।

ধর্মাচার্য হোৱাৰ পিছত শ্ৰীৰাম আতাই ভালে সংখ্যক গীত, ঘোষা আৰু নাট ৰচনা কৰে। আতাৰ এখনি একশৰণ গ্ৰন্থ হ'ল *ঘোষা পটল*। গ্ৰন্থখনত বৈষ্ণৱী গ্ৰন্থৰ শ্লোক সন্নিৱিষ্ট কৰা হৈছে। তাৰ ভিতৰত কেইবাখনো *পুৰাণ, বিষ্ণুযামল, বিল্বমঙ্গল, ভক্তি প্ৰদীপ, মহাভাৰত, হিতোপদেশ* আদি অন্যতম। *ঘোষা পটল* গ্ৰন্থখনত সংস্কৃত শ্লোকৰ লগতে অসমীয়া অনুবাদ কৰিছে।

শ্ৰীৰাম আতাৰ *সুভদ্ৰা হৰণৰ* কাহিনীভাগ *ভাগৱত পুৰাণ* আৰু *মহাভাৰতত* পোৱা যায়। নাটকৰ কাহিনী হ'ল সুভদ্ৰা আৰু অর্জুনৰ পূর্বৰাগ, সূভদ্ৰাক অর্জুনৰ হৰণ, অর্জুন-সুভদ্ৰাৰ বিবাহ। বিয়াৰ পিছত বীৰ বিজয় আৰু সুভদ্ৰাৰ কৌতুকেৰে নাটৰ কাহিনীৰ সামৰণি পৰিছে। শ্ৰীৰাম আতাই শঙ্কৰদেৱৰ নাট্যৰীতিক অনুকৰণ কৰিছে। নাটখনত নান্দীশ্লোক, ভটিমা আছে। গীত আছে ঊনেশটা। নাটখনিৰ গীতৰ ভাষা ব্ৰজবুলি।

শ্ৰীৰাম আতাৰ ৭৯টা গীত বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত *শ্ৰীৰাম আতা আৰু ৰামানন্দদেৱৰ গীতত* সঙ্কলিত হৈছে। বৰগীতৰ দৰে শ্ৰীৰাম আতাৰ গীতসমূহত শান্ত, দাস্য, সখ্য, বাৎসল্য আৰু মধুৰ ভাবৰ সমন্বয় দেখা যায়। শ্ৰীৰাম আতাই তেওঁৰ গীতসমূহত অহিৰ, কল্যাণ, কেদাৰ, গৌৰী, ধনশ্ৰী, বসন্ত, মল্লাৰ, শ্ৰীগান্ধাৰ আদি ৰাগ প্ৰয়োগ কৰিছে। এগৰাকী গীতিকাৰ, নাট্যকাৰ আৰু প্ৰকৰণ গ্ৰন্থৰ ৰচক হিচাপে শ্ৰীৰাম আতাই এখন উচ্চ আসন লাভ কৰিছে।

১১.৫.৮ ভাগৱত মিশ্ৰ

বিষ্ণু পুৰাণ আৰু *সাত্বত-তন্ত্ৰৰ* পদ ভাঙনিত ভাগৱত মিশ্ৰই নিজকে দামোদৰৰ শিষ্য বুলি অভিহিত কৰিছে। গুৰুৰ আদেশ মতে তেওঁ 'ভাগৱত গূঢ় শাস্ত্ৰ' ব্যাখ্যা কৰিছিল। ভাগৱত মিশ্ৰই ৰচনা কৰা গ্ৰন্থ দুখন হ'ল *বিষ্ণু পুৰাণ* আৰু *সাত্বত-তন্ত্ৰ*। *বিষ্ণু পুৰাণৰ* যমপুৰীৰ বর্ণনা কবিগৰাকীয়ে অতি সুন্দৰভাৱে দাঙি ধৰিছে। *সাত্বত-তন্ত্ৰ* গ্ৰন্থখন হ'ল *বৈষ্ণৱী তন্ত্ৰ*। তন্ত্ৰখনি নটা পটলত ভাগ কৰিছে। মিশ্ৰই তিনিশ ছয়সত্তৰটা পদত ইয়াক অনুবাদ কৰিছে। প্ৰথম আৰু দ্বিতীয় পটলত বিৰাট পুৰুষৰ উৎপত্তি, তৃতীয় পটলত পূর্ণ, অংশ, কলা প্ৰভৃতিৰ কথা, চতুর্থ পটলত ভক্তিৰ ভেদ, পঞ্চম পটলত যুগধর্ম মোক্ষৰ সাধন, ষষ্ঠ পটলত বিষ্ণু নাম সহস্ৰেক, নামৰ মহিমা, সপ্তম পটলত বিষ্ণু নাম, অষ্টম পটলত সর্বসাৰ ৰহস্য, নৱম পটলত তন্ত্ৰমতৰ বিকাশৰ কথা সন্নিৱিষ্ট কৰা হৈছে। শিৱ আৰু নাৰদৰ কথোপকথনৰ মাজেদি *সাত্বত-তন্ত্ৰৰ* কথাখিনি ব্যক্ত কৰা হৈছে। *সাত্বত-তন্ত্ৰ* আৰু *বিষ্ণু পুৰাণৰ* অনুবাদক হিচাপে ভাগৱত মিশ্ৰৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীত এক বিশেষ স্থান থাকিব।

১১.৫.৯ গোবিন্দ মিশ্র

শঙ্কৰোত্তৰ যুগৰ কৃতি অনুবাদক গোবিন্দ মিশ্রৰ পৰিচয় সম্পর্কে বিশেষ জানিব পৰা নাযায়। তেওঁ নিজ পুথিতো ক'তো পৰিচয় দাঙি ধৰা নাই। কবিজনাৰ বংশলতা সম্পর্কত হৰি নাৰায়ণ দত্তবৰুৱাৰ মন্তব্য প্রনিধানযোগ্য। তেওঁ কামৰূপৰ হালধিবাৰী সত্রৰ গোস্বামী এগৰাকীৰ পৰা কবিজনাৰ বংশলতা সংগ্রহ কৰিছে। এই বংশলতা মতে গোবিন্দ মিশ্র হ'ল কোচ ৰজাই কনৌজৰ পৰা অনা জবানন্দ ভূঞাৰ চতুর্থ পুৰুষ। জবানন্দৰ নাতি হৰিচৰণ, তেওঁৰ পুত্র হ'ল দামোদৰ। এই দামোদৰৰ পুত্র হ'ল গোবিন্দ মিশ্র। তেওঁৰ জন্ম স্থান হ'ল মঙ্গলদৈৰ কলাইগাঁৱৰ ওচৰৰ ডালা। নিজৰ পৰিচয় সন্দর্ভত কবিজনাই উল্লেখ নকৰিলেও *ভক্তি বিবেক* গ্রন্থৰ অনুবাদ আৰু ভট্টদেৱক ইষ্টদেৱ হিচাপে অভিহিত কৰালৈ চাই তেওঁক ভট্টদেৱৰ সমসাময়িক অথবা উত্তৰ কালৰ কবি বুলি ক'ব পাৰি।

গোবিন্দ মিশ্রই *শ্রীমদ্ভগৱতগীতা* আৰু *ভক্তি বিবেক* নামৰ দুখনি গ্রন্থ অনুবাদ কৰিছে। শ্রীবৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্যই ৰচনা কৰা *শ্রীমদ্ভক্তিৰিবেক* গ্রন্থখন হ'ল *ঋগ্বেদ, ভাগৱত, গীতা, অষ্টাদশ পুৰাণাদি* বহু শাস্ত্রৰ পৰা সাৰাংশ। এই ভক্তিমূলক শাস্ত্রখন সংস্কৃতত ৰচনা কৰিছিল। গুৰু ভট্টদেৱৰ প্রতি শ্রদ্ধাৰ চিন স্বৰূপে গোবিন্দ মিশ্রই এই সংস্কৃত গ্রন্থখন অসমীয়ালৈ অনুবাদ কৰে। মূলৰ প্রতিটো শ্লোকৰ টীকা, ভাষ্যক কবিয়ে পদানুবাদ কৰিছে।

গোবিন্দ মিশ্রই *শ্রীমদ্ভগৱতগীতাৰ* জটিল তত্ত্বসমূহ চাৰি টীকাৰ সহায় লৈ অনুবাদ কৰিছে। মাজে মাজে জটিল তত্ত্বৰ ব্যাখ্যা উপমা-পটন্তৰৰ দ্বাৰা দাঙি ধৰিছে। সংস্কৃত গীতাৰ জটিল দার্শনিক তত্ত্বসমূহ কবিয়ে নিজ ভাষাৰে অতি প্রাঞ্জলভাৱে বর্ণনা কৰিছে। কবিজনাই শঙ্কৰী, ভাস্কৰী, হনুমন্তী, আনন্দগিৰিৰ টীকাৰ সহায়ত ৰচনা কৰা গ্রন্থখনিৰ মাজে মাজে নিজস্ব দৃষ্টিভঙ্গী দাঙি ধৰা পৰিলক্ষিত হয়। লৌকিকতাৰ পৰশ পুথিখনত ঠাই বিশেষে দেখা যায়। পদ, দুলড়ি, ঝুনা, ছবি, ঝুমু আদিৰ প্রয়োগে কবি জনাই কৰিছে।

১১.৫.১০ ভাগৱতাচার্য

পণ্ডিত হেমচন্দ্র গোস্বামীয়ে ভাগৱতাচার্যক মহাপুৰুষ হৰিদেৱৰ শিষ্য আৰু হৰিমিশ্রৰ পুত্র বুলি উল্লেখ কৰিছে। *কথা সূত্র, সাত্বত-তন্ত্র* আৰু *গীতাসাৰ* —এই গ্রন্থকেইখন ভাগৱতাচার্যৰ ৰচনা বুলি সতেন্দ্রনাথ শর্মাই উল্লেখ কৰিছে। কিন্তু দৰাচলতে *সাত্বত-তন্ত্রৰ* ৰচক ভাগৱত মিশ্রহে, ভাগৱতাচার্য নহয়। আনহাতে, কথা-সূত্রৰ এটি স্তৱকৰ ওপৰত নির্ভৰ কৰি তেওঁ *গীতাসাৰ* ৰচনা কৰা বুলি কোৱা হৈছে যদিও তেনে গ্রন্থ এতিয়ালৈ উদ্ধাৰ হোৱা নাই। সেয়ে কেৱল *কথাসূত্রহে* ভাগৱতাচার্যৰ প্রামাণ্য গ্রন্থ বুলি পণ্ডিতসকলে মত আগবঢ়াইছে। গ্রন্থখন দ্বাদশ স্কন্ধ *ভাগৱতৰ* বিভিন্ন বিষয়বস্তুৰ নির্ঘটন স্বৰূপ।

১১.৫.১১ গোপাল মিশ্র

দামোদৰদেৱে শৰণ দিয়া বাৰজন ধর্মাচার্যৰ ভিতৰত অন্যতম হ'ল গোপাল মিশ্র। তেওঁ *ঘোষাৰত্ন* পুথি ৰচনা কৰিছিল। পণ্ডিত হেমচন্দ্র গোস্বামীৰ মতে গোপাল মিশ্রৰ পূর্বপুৰুষসকল ওডিসাৰ পৰা অহা। নীলকণ্ঠ দাসে ৰচনা কৰা *দেৱ দামোদৰ চৰিত্রৰ* গোপাল মিশ্রৰ ঘৰ নলবাৰীৰ খুদিয়াত বুলি উল্লেখ আছে। গোপাল মিশ্রই গুৰু দামোদৰদেৱৰ কথা *ঘোষাৰত্ন* পুথিৰ কেইবা ঠাইতো উল্লেখ কৰি গৈছে। গুৰুৰ ওচৰত শৰণ লৈ গোপাল মিশ্রই দামোদৰদেৱৰ লগত কিছু কাল পাটবাউসীত আছিল। ইয়াৰ পিচত গুৰুৰ আজ্ঞা লৈ উলুবাৰীত সত্র পাতে। তাৰ পিছত খুদিয়াত নতুনকৈ সত্র প্রতিষ্ঠা কৰি ধর্ম প্রচাৰ কৰে।

গোপাল মিশ্রই *ঘোষাৰত্নৰ* শঙ্খচূড় বধ, মহিষাসুৰ বধ আৰু বৈষ্ণৱ ধর্ম সম্পর্কীয় কেইবাখনো গ্রন্থ প্রণয়ন কৰা বুলি পোৱা যায় যদিও *ঘোষাৰত্নৰ* বাহিৰে বাকী কেইখন গ্রন্থ পাবলৈ নাই। *ঘোষাৰত্ন* এখন তত্ত্বপূর্ণ গ্রন্থ। কবিয়ে নানা পুৰাণ, গীতা, সংহিতা আদিৰ পৰা বিষয় সংগ্রহ কৰি নববিধ ভক্তিৰ লগতে শৰণ, ভজন আদিৰ মাহাত্ম্যৰ কথা বর্ণনা কৰিছে। গ্রন্থখনিত কবিৰ পাণ্ডিত্য, ব্যক্তিত্ব আৰু ভক্তিৰ পৰিচয় স্পষ্টকৈ পৰিস্ফূট হৈছে।



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ মাধ্যমেদি আমি শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ বিষয়ে আভাস পালো।
- শঙ্কৰদেৱৰ উত্তৰসূৰীসকলে কিদৰে বৈষ্ণৱ সাহিত্যৰ পৰম্পৰা অক্ষুণ্ণ ৰাখিছিল তাৰ এটি আভ্যস পোৱা গ'ল।
- শঙ্কৰোত্তৰ যুগৰ লেখকসকলৰ ৰচনাৱলী সম্পর্কে থূলমূল লেখ এই আলোচনাত আগবঢ়োৱা হ'ল।



১১.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) দাস, নাৰায়ণ (১৯৯৫); *ভট্টাদেৱ জীৱন আৰু কৃতি*; গুৱাহাটী।

২) নেওগ, মহেশ্বৰ (১৯৭০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩) নেওগ, মহেশ্বৰ (১৯৮৪); *বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচার্য্য*, গুৱাহাটী।

৪) নেওগ, মহেশ্বৰ (১৯৭০); *গুৰু চৰিতৰ ইতিকথা*; গুৱাহাটী।

৫) শাস্ত্রী, মনোৰঞ্জন (১৯৫৪); *অসমৰ বৈষ্ণৱ দর্শনৰ ৰূপৰেখা*; গুৱাহাট।



১১.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ শঙ্কৰোত্তৰ যুগৰ সাহিত্যৰ বিষয়ে দুআষাৰ... ...এই যুগৰ সাহিত্যৰ বৈশিষ্ট্যৰ বিষয়ে চমুকৈ উল্লেখ কৰক।

২নং প্রশ্নৰ উত্তৰ ঃ ভট্টদেৱৰ চমু পৰিচয়... ...ভট্টদেৱৰ ৰচনাৱলীৰ চমু পৰিচয়... ...ভট্টদেৱৰ গদ্যশৈলীৰ বিষয়ে লিখক।

৩নং প্রশ্নৰ উত্তৰ ঃ অনিৰুদ্ধদেৱৰ চমু পৰিচয়... ...তেওঁৰ ৰচনাৱলীৰ এটি টোকা আগবঢ়াব।

১১.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া সাহিত্যৰ ইতিহাসত শঙ্কৰোত্তৰ যুগৰ সাহিত্যৰাজিৰ মূল্য কি? শঙ্কৰোত্তৰ যুগৰ সাহিত্যৰাজিৰ বৈশিষ্ট্য আলোচনা কৰক।

প্রশ্ন ২ ঃ ভট্টদেৱৰ জীৱন আৰু কৃতিৰ মূল্যায়ন কৰক।

প্রশ্ন ৩ ঃ 'অসমীয়া গদ্যৰ জনক' আখ্যাৰে বিভূষিত ভট্টদেৱৰ গদ্যশৈলীৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ৪ ঃ ৰামচৰণ ঠাকুৰৰ চমু পৰিচয় দি তেওঁৰ নাট্যকৃতিসমূহৰ পৰিচয় আগবঢ়াওক।

প্রশ্ন ৫ ঃ গোপাল আতাৰ দ্বাৰা ৰচিত নাটসমূহ কি কি? প্রত্যেকখন নাটৰ বিষয়বস্তু আৰু নাটসমূহত ফুটি উঠা সাহিত্যিক সৌন্দর্য্য বিচাৰ কৰক।

প্রশ্ন ৬ ঃ অনিৰুদ্ধদেৱৰ কৃতীসমূহৰ আলোচনা আগবঢ়াওক।

প্রশ্ন ৭ ঃ চমু পৰিচয় আগবঢ়াওক ঃ ভাগৱত মিশ্র, গোবিন্দ মিশ্র, ভাগৱতাচার্য, গোপাল মিশ্র।

*** ***** ***